NEWZ NOW

সংখ্যা ১৬ | সোমবাৰ, ৯ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

এইবাৰ হিন্দু বেদখলকাৰীৰ বিৰুদ্ধেও চলিব অভিযান; ৰাজ্যত পুনৰ বৃহৎ উচ্ছেদৰ ইংগিত মুখ্যমন্ত্রীৰ

অসমত পুনৰ বৃহৎ উচ্ছেদ অভিযানৰ ইংগিত দিছে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই। এইবাৰ ধর্মীয় পৰিচয় নির্বিশেষে হিন্দু বেদখলকাৰীৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰিছে। পৰৱর্তী উচ্ছেদৰ স্থান আৰু তাৰিখ সন্দর্ভত চৰকাৰী ঘোষণা এতিয়াও প্ৰকাশ পোৱা নাই।



NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৭

নিউজ ডেস্ক: ৰাজ্যত পুনৰ বৃহৎ পৰিসৰৰ উচ্ছেদ অভিযান চলোৱাৰ ইংগিত দিছে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই। বেদখল উচ্ছেদৰ ক্ষেত্রত ধর্মীয় পৰিচয় বিবেচনা কৰা নহ'ব বুলি স্পষ্ট কৰি মুখ্যমন্ত্রীয়ে হিন্দু বেদখলকাৰীৰ বিৰুদ্ধেও একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰিছে।

মুখ্যমন্ত্রীৰ ভাষ্য অনুসৰি, য'ত প্ৰয়োজন হ'ব, তাতেই উচ্ছেদ অভিযান চলিব। তেওঁ কয়, 'মুছলমান নহয়, হিন্দু দখলকাৰীৰ বিৰুদ্ধেও চলিব উচ্ছেদ।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1497

দেশ

দীপাৱলীৰ নিশা দুটাকৈ অগ্নিকাণ্ড, ১২জনৰ মৃত্যু; মাতৃৰ কোলাতে প্ৰাণ গ'ল দুমহীয়া শিশুৰ



সেউনী/কাটনি, ৯ নৱেম্বৰ: দীপাৱলীৰ উৎসৱৰ মাজতে মধ্যপ্রদেশৰ সেউনী আৰু কাটনি জিলাত সংঘটিত দুটাকৈ অগ্নিকাণ্ডত ১২জন লোকৰ মৃত্যু হৈছে।
পঢ়ক: https://newznow.in/news/1596

দেশ

'ডিমাগী নক্সাল' মন্তব্যক লৈ মোদীক পুনৰ বিতর্কৰ আহ্বান ৰাহুলৰ



নতুন দিল্লী, ৯ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে বিৰোধী ৰাজনৈতিক পক্ষক 'ডিমাগী নক্সাল' বুলি লক্ষ্য কৰাৰ পিছতে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয...
পঢ়ক: https://newznow.in/news/1553

আন্তঃৰাষ্ট্রীয়

নতুন পাছপ'টৰ আবেদন নাকচ বাংলাদেশৰ, শ্বেখ হাচিনাক 'পলাতক সন্ত্রাসবাদী' আখ্যা



বাংলাদেশৰ ৰাজনীতিত পুনৰ চর্চালৈ আহিছে প্রাক্তন প্রধানমন্ত্রী শ্বেখ হাচিনাৰ প্রত্যাৱর্তনৰ প্রশ্ন।
পঢ়ক: https://newznow.in/news/1559

ক্রীড়া

দক্ষিণ আফ্রিকা ভ্রমণৰ ভাৰতীয় মহিলা টেষ্ট-এদিনীয়া দলত জিন্টিমণি কলিতা



গুৱাহাটী: আগন্তুক দক্ষিণ আফ্রিকা ভ্রমণৰ বাবে ভাৰতীয় মহিলা টেষ্ট আৰু এদিনীয়া দলত স্থান লাভ কৰিছে অসমৰ ক্রিকেটাৰ জিন্টিমণি কলিতাই।
পঢ়ক: https://newznow.in/news/1608

ভিতৰৰ পাতত

অসম: 'পুলিচে হিন্দু-মুছলিম চাই গুলী নচল...
অসম: সেনাৰৈ সামগ্রী যোগানৰ নামত ১১.৫০ ক...
দেশ: সংসদৰ বর্ষাকালীন অধিৱেশন ৮৮ দিনেও...
দেশ: ৰায়গঞ্জত আৰক্ষীৰ গুলীত নিহত ধর্ষণ...

অসম

'পুলিচে হিন্দু-মুছলিম চাই গুলী নচলায়' - কংগ্রেছক প্রত্যুত্তৰ মুখ্যমন্ত্রীৰ

বিদিশা বৰঠাকুৰ | ৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৯



গুৱাহাটী, ৯ নৱেম্বৰ, ২০২৬:

'পুলিচে হিন্দু-মুছলিম চাই গুলী নচলায়, এইকেইদিনতে সকলোৱে দেখিছে।' উচ্ছেদ অভিযান আৰু আৰক্ষীৰ ভূমিকা সন্দর্ভত কংগ্রেছে উত্থাপন কৰা অভিযোগৰ প্রত্যুত্তৰ দি এই মন্তব্য কৰিছে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই।

মুখ্যমন্ত্রীৰ দাবী, আৰক্ষীয়ে কোনো ব্যক্তিৰ ধর্মীয় পৰিচয় চাই ব্যৱস্থা গ্রহণ নকৰে। আৰক্ষীক আক্রমণ কৰাৰ পৰিণাম আৰক্ষীয়ে নিজাবীয়াকৈ দিছে বুলি মন্তব্য কৰি তেওঁ কয় যে মুছলমান হ'লেই গুলীচালনা কৰা হ'ব আৰু হিন্দু হ'লে কৰা নহ'ব, এনে কোনো কথা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1532

দেশ

সংসদৰ বর্ষাকালীন অধিৱেশন ৮৮ দিনেও আনুষ্ঠানিকভাৱে সমাপ্ত নহ'ল! ২০০৮ চনৰ অভিলেখ ভংগ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৭



নতুন দিল্লী: ভাৰতীয় সংসদৰ বর্ষাকালীন অধিৱেশনে আনুষ্ঠানিক সমাপ্তিৰ ক্ষেত্রত নতুন অভিলেখ গঢ়িছে। দুয়োখন সদন অনির্দিষ্টকালৰ বাবে স্থগিত ৰখাৰ ৮৮ দিন উকলি যোৱাৰ পাছতো অধিৱেশনটো আনুষ্ঠানিকভাৱে সমাপ্ত কৰা হোৱা নাই। ইয়াৰ ফলত ২০০৮ চনত সৃষ্টি হোৱা ৮৭ দিনৰ পূর্বৰ অভিলেখ ভংগ হৈছে।

১৩ আগষ্টত লোকসভা আৰু ৰাজ্যসভা অনির্দিষ্টকালৰ বাবে স্থগিত ৰখা হৈছিল। কিন্তু ৯ নৱেম্বৰ সোমবাৰৰ পুৱালৈকে ৰাষ্ট্রপতিয়ে দুয়োখন সদনৰ অধিৱেশন আনুষ্ঠানিকভাৱে সমাপ্ত কৰা অর্থাৎ 'প্রৰোগ' কৰা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1467

অসম

সেনালৈ সামগ্রী যোগানৰ নামত ১১.৫০ কোটি টকাৰ প্রৱঞ্চনা; শিলিগুৰিত হর্ষ আগৰৱাল গ্রেপ্তাৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৫২



নতুন দিল্লী, ৯ নৱেম্বৰ: ভাৰতীয় সেনালৈ সামগ্রী যোগান ধৰাৰ নামত গুৱাহাটীৰ এক ব্যৱসায়িক প্রতিষ্ঠানৰ পৰা ১১,৫০,৫৬,১৮০ টকা প্রৱঞ্চনাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1580

দেশ

ৰায়গঞ্জত আৰক্ষীৰ গুলীত নিহত ধর্ষণ-হত্যাৰ অভিযুক্ত

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, নিশা ৮:১৬




ৰায়গঞ্জ, ৯ নৱেম্বৰ: পশ্চিমবংগৰ উত্তৰ দিনাজপুৰ জিলাৰ ৰায়গঞ্জত এগৰাকী নাবালিকাক ধর্ষণ আৰু হত্যাৰ গোচৰৰ মূল অভিযুক্ত দিলীপ ৰায় আৰক্ষীৰ গুলীত নিহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1604

ৰাজনীতি

'শব্দৰ অর্থ বুজি নোপোৱা লোক', মল্লিকার্জুন খর্গেৰ দীপাৱলীৰ শুভেচ্ছাক লৈ বিতর্কত কংগ্রেছৰ প্রত্যুত্তৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, নিশা ৭:১৪



নতুন দিল্লী, ৯ নৱেম্বৰ: কংগ্রেছৰ সভাপতি মল্লিকার্জুন খর্গেৰ দীপাৱলীৰ শুভেচ্ছা বার্তাত 'খুশ্বিয়োঁ কা ঈদ' শব্দ ব্যৱহাৰক লৈ বিজেপি আৰু কংগ্রেছৰ মাজত বাকযুদ্ধ আৰম্ভ হৈছে। বিজেপিয়ে খর্গেৰ মন্তব্যক লৈ আপত্তি তোলাৰ বিপৰীতে কংগ্রেছে তেওঁৰ বক্তব্যৰ সমর্থন কৰিছে।

দীপাৱলীৰ শুভেচ্ছা জনোৱাৰ সময়ত খর্গেই দীপাৱলীক 'খুশ্বিয়োঁ কা ঈদ' বুলি অভিহিত কৰিছিল। ইয়াৰ পাছতে বিজেপিয়ে কংগ্রেছে ভোটবেংকৰ ৰাজনীতিৰ সৈতে উৎসৱক জড়িত কৰাৰ অভিযোগ তোলে।


বিজেপিৰ ৰাষ্ট্রীয় সংবাদ মাধ্যমৰ সহ-ভাৰপ্রাপ্ত তথা মুখপাত্র প্রদীপ ভাণ্ডাৰীয়ে কয় যে, দীপাৱলীৰ দৰে উৎসৱক 'আনন্দৰ ঈদ' বুলি অভিহিত কৰাটো কংগ্রেছৰ ভোটবেংকৰ ৰা...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1587

ৰাজনীতি

ৰাজনৈতিক গ্রন্থ নহয়, ব্যক্তিগত জীৱনৰ কাহিনীহে; ১০ নৱেম্বৰত প্রকাশ পাব ছোনিয়া গান্ধীৰ স্মৃতিকথা

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৫



নতুন দিল্লী, ৮ নৱেম্বৰ: ৰাজনীতি নহয়, নিজৰ জীৱনৰ ব্যক্তিগত অভিজ্ঞতা, প্রেম, পৰিয়াল আৰু শোকৰ কাহিনীহে তুলি ধৰিছে কংগ্রেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধীয়ে। তেওঁৰ আত্মজীৱনীমূলক গ্রন্থ *'Belonging: A Journey of Love'*ক ৰাজনৈতিক গ্রন্থ হিচাপে নহয়, ব্যক্তিগত স্মৃতিকথা হিচাপেহে অভিহিত কৰিছে তেওঁ। গ্রন্থখনত ভাৰতত নিজৰ ঘৰ বিচাৰি পোৱা আৰু পাঁচ দশকৰো অধিক সময়ৰ জীৱনযাত্রাৰ অভিজ্ঞতা সৎভাৱে প্রকাশ কৰাৰ চেষ্টা কৰা হৈছে বুলি জনাইছে ছোনিয়া গান্ধীয়ে।

হার্পাৰকলিনছ ইণ্ডিয়াই ১০ নৱেম্বৰত ভাৰতত গ্রন্থখন প্রকাশ কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1463

ৰাজনীতি

২৬ নৱেম্বৰত মণিপুৰলৈ যাব ৰাহুল গান্ধী; গোষ্ঠীগত সংঘর্ষত ক্ষতিগ্রস্ত পৰিয়ালক সাক্ষাৎ কৰাৰ সম্ভাৱনা

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩



নিউজ ডেস্ক: ২৬ নৱেম্বৰত মণিপুৰৰ গোষ্ঠীগত সংঘর্ষত ক্ষতিগ্রস্ত পৰিয়ালসমূহৰ কাষলৈ যাব লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1506

দেশ

মানসাত ২৬ দিনৰ পাছত ড্রাগছ বিৰোধী কর্মী পাৰভিন্দৰ সিং ঝোটাৰ শেষকৃত্য

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৫০



মানসা, ৮ নৱেম্বৰ: ড্রাগছবিৰোধী কর্মী পাৰভিন্দৰ সিং ঝোটাক গুলীয়াই হত্যাৰ ২৬ দিনৰ পাছত দেওবাৰে মানসাত তেওঁৰ শেষকৃত্য সম্পন্ন হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1465

দেশ

ছয় মাহৰ ভিতৰত হত্যাত জড়িত সংঘৰ লোকক জেললৈ পঠোৱাৰ দাবী প্ৰিয়ংক খাৰ্গেৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৪



কৰ্ণাটকৰ গৃহমন্ত্ৰী প্ৰিয়ংক খাৰ্গেই অভিযোগ কৰিছে যে, আৰ এছ্ এছে সাৱৰকাৰক হিন্দুত্বৰ পিতৃ হিচাপে গণ্য কৰে।

ফিৰোজজীক সম্বোধন কৰি খাৰ্গেই এম এম কালবুৰ্গী, গৌৰী লংকেশ আৰু ডাভোলকাৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰে। এই তিনিওটা হত্যাকাণ্ড সংঘৰ লোকেই সংঘটিত কৰিছিল বুলি তেওঁ অভিযোগ তোলে।

এই ঘটনাসমূহক লৈ গোচৰ চলি আছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, বিষয়টো চৰকাৰে অনুসৰণ কৰি আছে।

এই লোকসকলেই মহাত্মা গান্ধীক হত্যাৰ বাবে দায়ী বুলিও তেওঁ অভিযোগ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1572

দেশ

আজিৰ পৰা কেন্সাৰৰ ঔষধৰ মূল্য হ্ৰাস, ৬৭৯টা ব্ৰেণ্ডৰ দাম ৫০ শতাংশতকৈ অধিক হ্ৰাস

বিদিশা বৰঠাকুৰ | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:১৩



নতুন দিল্লী, ৯ নৱেম্বৰ, ২০২৬:

ৰোগীসকলৰ বাবে আশাৰ বতৰা! আজিৰ পৰা কেন্সাৰৰ ঔষধৰ মূল্য হ্ৰাস। কেন্সাৰ ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে সকাহৰ বতৰা দিলে NPPA য়ে । আজিৰে পৰা দেশত কাৰ্যকৰী হৈছে ১,৩৬৪টা কেন্সাৰ সম্পৰ্কীয় ঔষধৰ সংশোধিত সৰ্বাধিক খুচুৰা মূল্য (MRP)। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ ফলত ৬৭৯টা ব্ৰেণ্ডৰ ঔষধৰ মূল্য ৫০ শতাংশতকৈ অধিক হ্ৰাস পাইছে। আনহাতে, কোনো কোনো ঔষধৰ মূল্য হ্ৰাসৰ পৰিমাণ ৯৬.৪৫ শতাংশ পৰ্যন্ত হৈছে।

কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় ঔষধ মূল্য নিৰ্ধাৰণ প্ৰাধিকৰণে (NPPA) ১৩৭বিধ কেন্স...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1536

দেশ

ফটকা ফুটালে দূৰ হয় বহু ৰোগ! বিতৰ্কিত মন্তব্য কৰি সমালোচনাৰ সন্মুখীন পশ্চিমবংগৰ BJP বিধায়িকা

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৫



টলিগঞ্জ: ফটকা ফুটালে বায়ুত থকা ৰোগ সৃষ্টিকাৰী বীজাণু ধ্বংস হয় আৰু ইয়াৰ ফলত বহু ৰোগৰ পৰা হাত সাৰিব পাৰি! এনে এক বিতৰ্কিত মন্তব্য কৰি সমালোচনাৰ সন্মুখীন হৈছে পশ্চিমবংগৰ BJP বিধায়িকা পাপিয়া অধিকাৰী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1485

দেশ

দিল্লীত বায়ুৰ মান অতি নিম্নগামী, সূচকাংক (AQI) ৩৭৬ লৈ বৃদ্ধি

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩২



নতুন দিল্লী, ৮ নৱেম্বৰ: দিল্লীৰ বায়ুৰ মান দেওবাৰে 'অতি নিম্নগামী' দেখা গ'ল। দিনটোৰ গড় বায়ু গুণমান সূচকাংক ৩৭৬ত উপনীত হয়। ঘন ধোঁৱাই নগৰখন ঢাকি ধৰাত দৃশ্যমানতা হ্ৰাস পায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1481

দেশ

আতচবাজীৰ বাবেই প্ৰাণ গ'ল ১০ বছৰীয়া শিশুৰ, দীপাৱলীৰ নিশা শোকাৱহ ঘটনা

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৮



নতুন দিল্লী, ৯ নৱেম্বৰ, ২০২৬:

দীপাৱলীৰ আনন্দৰ মাজতে আতচবাজীৰ বাবেই প্ৰাণ গ'ল ১০ বছৰীয়া শিশুৰ । দিল্লীত সংঘটিত হ'ল এই শোকাৱহ ঘটনা। আতচবাজী কৰি থকা অৱস্থাত প্ৰাণ হেৰুৱালে ১০ বছৰীয়া এটি শিশুৱে। দেওবাৰে, ৮ নৱেম্বৰৰ নিশা দিল্লীৰ নৱেলা আৰক্ষী থানাৰ অন্তৰ্গত ৰাজীৱ কলনীত সংঘটিত হয় এই ঘটনা।

জানিব পৰা মতে, পৰিয়ালৰ লোকসকলৰ সৈতে ফটকা ফুটাই থকা সময়তে শিশুটিৰ পেটত এটা ৰকেট আহি লাগে। আকাশলৈ উৰি যোৱাৰ পৰিৱৰ্তে ৰকেটটো শিশুটিৰ শৰীৰত লাগি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে বুলি উল্লেখ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1459

দেশ

দীপাৱলীক 'খুচিয়োঁ কি ঈদ' কোৱাত খাৰ্গেক লক্ষ্য বিজেপিৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৭



দীপাৱলীৰ শুভেচ্ছা জনোৱাৰ সময়ত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই 'খুচিয়োঁ কি ঈদ' বুলি কোৱাক লৈ নতুন ৰাজনৈতিক বিতৰ্কৰ সূচনা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1449

দেশ

দ্ৰুত ধন উপাৰ্জনৰ আশাত শিশুক হত্যা কৰি অংগ বিক্ৰীৰ চেষ্টাৰ অভিযোগ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



যশপুৰ, ৯ নৱেম্বৰ: ছত্তীশগড়ৰ যশপুৰ জিলাত দ্ৰুত ধন উপাৰ্জনৰ উপায় বিচাৰি সামাজিক মাধ্যমত অনুসন্ধান চলোৱাৰ পাছত নিজৰ সম্পৰ্কীয় ভাতৃৰ চাৰি বছৰীয়া পুত্ৰক হত্যা কৰি দেহৰ অংগ বিক্ৰী কৰাৰ পৰিকল্পনা কৰাৰ অভিযোগ উঠিছে ২৭ বছৰীয়া বাসুদেৱ ওৰফে টাংনুৰ বিৰুদ্ধে। শিশুটিৰ মৃতদেহ উদ্ধাৰৰ পাছত দেওবাৰে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

আৰক্ষীৰ অভিযোগ অনুসৰি, ৫ নৱেম্বৰত শিশুটিক ফুচুলাই ঘৰৰ পৰা লৈ যোৱাৰ পাছত মদ খুৱাই অচেতন কৰি হত্যা কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1457

দেশ

ইথানল মিশ্ৰণৰ অভিযোগ: কৰ্ণাটকত ৬৭ স্থানত পেট্ৰলৰ নমুনা পৰীক্ষা

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:৫৯



বেংগালুৰু, ৮ নৱেম্বৰ: পেট্ৰলত ইথানলৰ মিশ্ৰণ বৃদ্ধি পোৱাৰ ফলত বাহনৰ ইঞ্জিনৰ কাৰ্যক্ষমতা ব্যাহত হোৱাৰ অভিযোগৰ পাছত কৰ্ণাটকত ৬৭টা স্থানৰ পৰা পেট্ৰলৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1438

উত্তৰ-পূৰ্বাঞ্চল

ডিবাং বান্ধক লৈ অসম-অৰুণাচল মিত্রজোঁটৰ ১০ দিনৰ চৰমসীমা

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:১৬



তিনিচুকীয়া: অৰুণাচল প্রদেশত প্রস্তাৱিত ২,৮৮০ মেগাৱাট ক্ষমতাসম্পন্ন ডিবাং বহুমুখী প্রকল্পক কেন্দ্র কৰি অসম আৰু অৰুণাচল প্রদেশৰ নিম্নপ্রবাহৰ জনসমাজক প্রতিনিধিত্ব কৰা এটা মিত্রজোঁটে দুয়োখন চৰকাৰক ১০ দিনৰ চৰমসীমা বান্ধি দিছে। মিত্রজোঁটটোৱে পুনর্বাসন, বান প্রতিৰোধ আৰু অন্যান্য সুৰক্ষা ব্যৱস্থা গ্রহণৰ দাবী জনাইছে।

১৭ অক্টোবৰ, ২০২৬ত গঠিত ডিবাং ডেম অসম-অৰুণাচল ডাউনষ্ট্রিম একচন এলায়েন্সে প্রস্তাৱিত বান্ধখনৰ নিম্নপ্রবাহৰ অঞ্চলত বসবাস কৰা পৰিয়ালসমূহক প্রকল্প-প্রভাৱিত পৰিয়াল (PAF) হিচাপে স্বীকৃতি দিয়াৰ দাবী উত্থাপন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1569

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত ২০২৭ৰ জনগণনা ৩০ এপ্রিললৈ স্থগিত

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:২৪



মণিপুৰত চলি থকা জাতিগত হিংসা আৰু ব্যাপক আভ্যন্তৰীণ স্থানান্তৰণৰ পৰিপ্রেক্ষিতত ৰাজ্যখনত ২০২৭ৰ জনগণনাৰ কাম ৩০ এপ্রিল, ২০২৭লৈ স্থগিত ৰাখিছে মণিপুৰ উচ্চ ন্যায়ালয়ে। ন্যায়ালয়ে কেন্দ্রীয় চৰকাৰ আৰু পঞ্জীয়ক প্রধান তথা জনগণনা আয়ুক্তক আবেদনকাৰীসকলৰ উত্থাপিত বিষয়সম...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1526

অসম

কোকৰাঝাৰৰ তাৰাং ঝিজিৰিত বড়ো হাৰিমু ছান'ৰ সফল সামৰণি

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, নিশা ৭:৫৬



কোকৰাঝাৰ, ৯ নৱেম্বৰ: কোকৰাঝাৰ জিলাৰ হালোৱাদলৰ তাৰাং ঝিজিৰি খেলপথাৰত আয়োজিত তিনিদিনীয়া বড়ো হাৰিমু ছান'ৰ সফল সামৰণি ঘটিছে। বড়ো কলা-সংস্কৃতিৰ ৰাষ্ট্রীয় উৎসৱ হিচাপে আয়োজিত অনুষ্ঠানটো সংগীত নাটক একাডেমী বঁটাপ্রাপক ওস্তাদ কামিনী কুমাৰ নার্জাৰীৰ শততম জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত হয়।

বডোলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ উদ্যোগত সংগীত নাটক একাডেমী, নতুন দিল্লী, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্রমা বিভাগ আৰু বড়ো হাৰিমু ছান' তথা দুলাৰায় বড়ো হাৰিমু আফাদৰ সহযোগত উৎসৱখন আয়োজন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1600

অসম

শিৱসাগৰৰ বানপীড়িতলৈ মুখ্যমন্ত্রী সাহায্য পুঁজিত ২,৩৪,৫৬৭ টকা

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৬:২০



গুৱাহাটী, ৫ নৱেম্বৰ: ভাৰতীয় গোর্খা পৰিষংঘৰ অসম ৰাজ্যিক সমিতিৰ এটা প্রতিনিধি দলে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাক সাক্ষাৎ কৰি মুখ্যমন্ত্রী সাহায্য পুঁজিলৈ ২,৩৪,৫৬৭ টকাৰ এখন চেক প্রদান কৰে। শিৱসাগৰ জিলাৰ বিহুবৰ অঞ্চলৰ বানপীড়িত পৰিয়ালসমূহক সহায় কৰাৰ উদ্দেশ্যে এই ধন আগবঢ়োৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1556

অসম

ধেমাজিৰ শ্ৰীপানি আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪গৰাকী কাৰ্যকৰ্তাৰ পদত্যাগ

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৩১

ধেমাজি: সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ ধেমাজি জিলাৰ শ্ৰীপানী আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪গৰাকী বিষয়ৱবীয়া আৰু কৰ্মীয়ে একেলগে পদত্যাগ কৰিছে। আঞ্চলিক গোটটোৰ সক্ৰিয় বিষয়ৱবীয়া আৰু কৰ্মীসকলে সামূহিকভাৱে নিজৰ দায়িত্ব ত্যাগ কৰিছে।

এই ঘটনাক কেন্দ্ৰ কৰি ধেমাজিৰ আছুৰ সাংগঠনিক মহলত চৰ্চাৰ সৃষ্টি হৈছে। শেহতীয়াকৈ ৰাজ্যিক পৰ্যায়তো আছুৰ নেতৃত্ব আৰু সাংগঠনিক পৰ্যায়ত পদত্যাগৰ কেইবাটাও ঘটনা সংঘটিত হোৱাৰ সময়তে শ্ৰীপানীৰ এই সামূহিক পদত্যাগে বিশেষ গুৰুত্ব লাভ কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1546

অসম

ধেমাজিত সদৌ দিহিঙীয়া বংশাৱলীৰ জিলা অধিৱেশন, উন্মোচন স্মৃতিগ্ৰন্থ 'চাও ফা লান চং'

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:২০



ধেমাজি, ৯ নৱেম্বৰ: ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে সদৌ দিহিঙীয়া বংশাৱলীৰ ধেমাজি জিলা অধিৱেশন অনুষ্ঠিত হয়।

পুৱা পতাকা উত্তোলন আৰু শ্ৰহীদ তৰ্পণ কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1538

অসম

কাইলৈ সামৰণি পৰিব মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰদাখিলৰ প্ৰক্ৰিয়া

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:০০



ধেমাজি, ৯ নৱেম্বৰ: মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ সময়সীমা ১০ নৱেম্বৰত অন্ত পৰিব। অন্তিম দিনৰ পূৰ্বে দেওবাৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ কেইবাটাও পৰিষদীয় সমষ্টিৰ বাবে একাধিক প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

মিচিং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই সমৰ্থকসহ ১৭ নং মিংমাং পৰিষদীয় সমষ্টিৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। ইয়াৰ সমান্তৰালভাৱে ১৫ নং পৰিষদীয় সমষ্টিৰ বাবে ৰাজু পেগু, ১৩ নং চিচিকলঘৰ পৰিষদীয় সমষ্টিৰ বাবে যুৱ নেতা কৃষ্ণকান্ত দলে আৰু ১৫ নং গোগামুখ পৰিষদীয় সমষ্টিৰ বাবে সমাজকৰ্মী তাৰানাথ পেগুৱেও মনোনয়ন দাখিল কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1528

অসম

মৰিগাঁও-দৰঙৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'ব দলং! লাহৰীঘাটত আশ্বাস মুখ্যমন্ত্ৰীৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৫




লাহৰীঘাট, ৯ নৱেম্বৰ: 'মৰিগাঁও-দৰঙৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ পৰিকল্পনা মুখ্যমন্ত্ৰীৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1510

অসম

গহপুৰত লাভ জেহাদ! প্ৰেমৰ প্ৰলোভনেৰে গহপুৰৰ এগৰাকী ছাত্ৰীক অপহৰণ বিহাৰৰ মুছলিম যুৱকৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৪:২০



গহপুৰ, ৯ নৱেম্বৰ, ২০২৬:

প্ৰেমৰ প্ৰলোভনেৰে গহপুৰৰ এগৰাকী ছাত্ৰীক অপহৰণ বিহাৰৰ মুছলিম যুৱকৰ । ছাত্ৰীগৰাকীক অপহৰণ কৰাৰ অভিযোগত মহম্মদ বিশাল নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। পিছত অভিযুক্ত যুৱকজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। প্ৰেমৰ প্ৰলোভনে দি গহপুৰৰ নাবালিকা ছাত্ৰীগৰাকীক মুছলিম যুৱক মহম্মদ বিশালে বিহাৰলৈ লৈ যায় আৰু আৰক্ষীয়ে অনুসন্ধান কৰি বিহাৰৰ পৰা উদ্ধাৰ কৰে । ম'বাইল ফোনত থকা তথ্যৰ ভিত্তিতেই গহপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে মহম্মদ বিশালক ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1517

অসম

কাজিৰঙাৰ বুকুৰ পৰা চিৰবিদায় কৃষ্ণাৰ, ৪৪ বছৰৰ কৰ্মজীৱনৰ অৱসান

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২১



কাজিৰঙা, ৯ নৱেম্বৰ, ২০২৬:

কিছুমান বিদায় সঁচাকৈয়ে বৰ কষ্টকৰ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বনকৰ্মীসকলৰ বাবে তেনে এক চিনাকি সংগী আছিল হাতীজনী 'কৃষ্ণা'। দীৰ্ঘদিন ধৰি কাজিৰঙাৰ বন সুৰক্ষা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ কামত নিয়োজিত হৈ থকা কৃষ্ণাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

১৯৮২ চনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কৰ্তব্যত যোগদান কৰিছিল কৃষ্ণাই। কাজিৰঙা ৰেঞ্জৰ পৰা বাগৰি ৰেঞ্জলৈকে বিয়পি আছিল তাইৰ কৰ্মযাত্ৰা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1480

অসম

খানাপাৰা মহিলা হত্যাকাণ্ডঃ মূল অভিযুক্ত প্ৰদীপ টাইয়ে গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৬



গুৱাহাটীৰ খানাপাৰাত জীনা বৈশ্যৰ মৃতদেহ উদ্ধাৰৰ ঘটনাৰ তদন্তত গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিছে আৰক্ষীয়ে। হত্যাকাণ্ডৰ মূল অভিযুক্ত বুলি সন্দেহ কৰা প্ৰদীপ টাইয়েক গ্ৰেপ্তাৰ কৰিছে বশিষ্ঠ আৰক্ষীয়ে। গোচৰ ৰুজু হোৱাৰ মাত্ৰ ১৮ ঘণ্টাৰ ভিতৰতে অভিযুক্তক গ্ৰেপ্তাৰ কৰা বুলি প্ৰকাশ পাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1493

অসম

পাঠশালাৰ অগ্নিকাণ্ডৰ পিছতে ফটকা বিক্ৰীৰ অনুমতি বাতিল বজালী প্ৰশাসনৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৩



পাঠশালা, ৯ নৱেম্বৰ, ২০২৬:


পাঠশালাত সংঘটিত কেইবাটাও বিধ্বংসী অগ্নিকাণ্ডৰ পিছতে ফটকা আৰু আতচবাজী বিক্ৰীৰ অনুমতি বাতিল কৰিছে বজালী জিলা প্ৰশাসনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1471

অসম

মাজুলীত অগ্নিকাণ্ডত ভস্মীভূত ৭টা ভাড়াৰ কোঠা, ২০ লাখ টকাৰো অধিক ক্ষতি

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৮



মাজুলী, ৯ নৱেম্বৰ: উজনি মাজুলীৰ নতুন বজাৰত দেৱালীৰ নিশা প্ৰায় ১১ বজাত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত ৭টা ভাড়াৰ কোঠা সম্পূৰ্ণৰূপে ভস্মীভূত হয়। এই ঘটনাত ২০ লাখ টকাৰো অধিক মূল্যৰ সম্পত্তি নষ্ট হোৱা বুলি অনুমান কৰা হৈছে।

নতুন বজাৰ নিবাসী গণেশ দেৱ বাসগৃহত থকা ভাড়াৰ কোঠাকেইটাত জুই লাগে। কোঠাসমূহত থকা ভাড়াতীয়া লোকসকলৰ খোৱা-বোৱাৰ সামগ্ৰী, কাপোৰ-কানি, নগদ ধন আৰু প্ৰয়োজনীয় নথি-পত্ৰ জুইত পুৰি যায়। এখন স্কুটীও সম্পূৰ্ণৰূপে জ্বলি ছাই হয়।

হঠাতে সংঘটিত অগ্নিকাণ্ডত ভাড়াৰ কোঠাকেইটাত বাস কৰা লোকসকল সৰ্বস্বান্ত হৈ পৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1462

দেশ

জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথত বাছৰ সৈতে আৰক্ষীৰ বাহনৰ সংঘৰ্ষ, আহত ৪ জন

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪২



ৰামবান, ৯ নৱেম্বৰ: জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ চন্দ্ৰকোটত জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হৈছে পথ দুৰ্ঘটনা। এখন যাত্ৰীবাহী বাছৰ সৈতে চন্দ্ৰকোট আৰক্ষী থানাৰ এখন বাহনৰ সংঘৰ্ষ হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1456

অসম

১ ডিচেম্বৰৰ পৰা সন্ধিয়া ৫ বজাৰ পাছত নিষিদ্ধ হ'ব লাউডস্পীকাৰ - শ্বেৰমান আলী

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৯



মন্দিয়া, ৯ নৱেম্বৰ, ২০২৬:

পৰীক্ষাৰ সময়ত নিশা ১২ বজালৈকে নাচ-গান কৰি থকাৰ প্ৰয়োজন কি? মন্দিয়াবাসীক উদ্দেশ্যি এই প্ৰশ্ন উত্থাপন কৰি লাউডস্পীকাৰ ব্যৱহাৰ সন্দৰ্ভত মন্তব্য কৰিছে বিধায়ক শ্বেৰমান আলী আহমেদে।

'ৰাজনৈতিক নেতাক মাতি নাচ-গান কৰিলে কান্দিব লাগিবই, অত্যাচাৰ কৰিবই'

বিধায়কগৰাকীয়ে ঘোষণা কৰিছে যে ১ ডিচেম্বৰৰ পৰা বিয়লি ৫ বজাৰ পাছত লাউডস্পীকাৰ ব্যৱহাৰ নিষিদ্ধ কৰা হ'ব। তেওঁৰ মন্তব্য, 'মিঞা বুলি ক'লে কান্দে, পৰীক্ষাৰ সময়ত নিশা ১২ বজালৈকে নাচ-গান কৰি থকাৰ কি দৰকাৰ? নাচ-গান এৰি পঢ়া-শুনা কৰক মিঞাই।'

মন্দিয়াবাসীক উদ্দেশ্যি দিয়া এই বক্তব্যত পৰীক্ষাৰ সময়ত নিশা দেৰিলৈকে চলা নাচ-গান আৰু লাউডস্পীকাৰৰ ব্যৱহাৰক লৈ অসন্তুষ্টি প্ৰকাশ কৰে বিধায়কগৰাকীয়ে।

গান নবজোৱাকৈ যি ক'ৰে কৰক, কিন্তু বিয়লি ৫ বজাৰ পাছত লাউডস্পীকাৰ নহ'ব । ১ ডিচেম্বৰৰ পৰা বিয়লি ৫ বজাৰ পাছত লাউডস্পীকাৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয়, 'মিঞা বুলি ক'লে কান্দে। পৰীক্ষাৰ সময়ত নিশা ১২ বজালৈকে নাচ-গান কৰি থকাৰ কি দৰকাৰ? নাচ-গান এৰি পঢ়া-শুনা কৰক মিঞাই।'

অৱশ্যে ১ ডিচেম্বৰৰ পৰা লাউডস্পীকাৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ ক্ষেত্ৰত কোনো চৰকাৰী নিৰ্দেশনা জাৰি হৈছে নে নাই, সেয়া উপলব্ধ তথ্যত স্পষ্ট হোৱা নাই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1455

অসম

বানপীড়িত ৪,৫০০ পৰিয়াললৈ ৩.৬০ কোটি টকাৰ গৃহ-সহায়তা

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৯



নাজিৰা: উজনি অসমৰ বানপীড়িত প্ৰায় ৪,৫০০ পৰিয়ালৰ ক্ষতিগ্ৰস্ত ঘৰ পুনৰ নিৰ্মাণৰ বাবে ৩.৬০ কোটি টকাৰ আৰ্থিক সহায়তা আগবঢ়োৱাৰ ঘোষণা কৰিছে জমিয়ত উলেমা-ই-হিন্দ আৰু আনফাৰ ফাউণ্ডেচনে। নাজিৰাৰ এম চি ক্লাবত অনুষ্ঠিত এক ৰাজহুৱা সভাত এই ঘোষণা কৰা হয়।

অসম ৰাজ্যিক জমিয়তৰ সভাপতি তথা আনফাৰ ফাউণ্ডেচনৰ মুখ্য পৃষ্ঠপোষক মৌলানা মুছতাক আনফাৰে কয় যে, সাহায্য বিতৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। উজনি অসমৰ জনসাধাৰণৰ দুখ-দুৰ্দশাৰ সময়ত তেওঁ আৰু তেওঁৰ সংগঠনে কাষত থাকিব বুলিও তেওঁ আশ্বাস দিয়ে।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1454

অসম

মাথঘৰীয়াত টেংকাৰৰ পৰা ডিজেল চুৰিৰ অভিযোগত এজন আটক

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৯



গুৱাহাটী, ৮ নৱেম্বৰ: মাথঘৰীয়াৰ মাৰ্কেটিং ৰোডত ৰখাই থোৱা এখন টেংকাৰৰ পৰা ডিজেল চুৰি কৰাৰ অভিযোগত ৰূপেশ সাহ নামৰ এজন লোকক স্থানীয় বাসিন্দাসকলে হাতে-লোটে আটক কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1452

অসম

ৰাণীত হাতীৰ আক্ৰমণত মহিলা আহত, গোৱালপাৰাত ৪০টা হাতীৰ তাণ্ডৱ

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১১



গুৱাহাটী: ৰাণীৰ উদয়পুৰত সোমবাৰে পুৱতি নিশা বনৰীয়া হাতীৰ আক্ৰমণত ৰত্না কাকতি নামৰ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। তেওঁৰ লগত থকা শ্ৰীকান্ত বড়ো নামৰ যুৱকজনে পথৰ কাষৰ এটা কালভাৰ্টৰ তলত আশ্ৰয় লৈ কথমপি প্ৰাণ ৰক্ষা কৰে।

অসম-মেঘালয় সীমান্তৱৰ্তী উদয়পুৰৰ বাসিন্দা ৰত্না কাকতি আৰু শ্ৰীকান্ত বড়ো পুৱা খোজ কাঢ়িবলৈ ওলাইছিল। ওচৰৰ কৃষিভূমিত ধান খাই হাতীৰ এটা জাক বনাঞ্চললৈ উভতি যোৱাৰ সময়ত জাকটোৰ পৰা পিছ পৰি থকা এটা হাতীয়ে হঠাতে কাকতিক পথতে আক্ৰমণ কৰে।

ঘটনাটোৰ পাছত উদয়পুৰ আৰু সংলগ্ন অঞ্চলসমূহত আতংক সৃষ্টি হৈছে। জনবসতিপূৰ্ণ এলেকাত বনৰীয়া হাতীৰ চলাচলক লৈ স্থানীয় লোকসকল উদ্বিগ্ন হৈ পৰিছে।

ইফালে, গোৱালপাৰা জিলাৰ মাটিয়া অঞ্চলতো প্ৰায় ৪০টা বনৰীয়া হাতীৰ এটা জাকে কেইবাখনো গাঁৱত তাণ্ডৱ চলাইছে। খাদ্যৰ সন্ধানত আন্ধাৰৰ সুযোগ লৈ হাতীৰ জাকটো ৰতনপুৰ অঞ্চলত প্ৰৱেশ কৰি ঘৰ-বাৰী, কৃষিভূমি আৰু ঘৰুৱা বাগিচাৰ ক্ষতি কৰে।

স্থানীয় লোকৰ মতে, হাতীৰ জাকটোৱে বাকাইতাৰী, ৰতনপুৰ, নিগম আৰু সিধাবাৰী অঞ্চলত থিয় শালি ধানৰ খেতি, গছ-গছনি আৰু শাক-পাচলিৰ খেতি নষ্ট কৰিছে। হাতীৰ জাকটোৱে জনবসতিৰ মাজেৰে চলাচল কৰাত বহু লোকে ঘৰ এৰি সুৰক্ষিত স্থানলৈ আঁতৰি যাবলগীয়া হয়। কেইবাদিন ধৰি অঞ্চলটোত হাতীৰ উপদ্ৰৱ অব্যাহত আছে বুলি গাঁওবাসীয়ে জনাইছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1444

অসম

যমুনা সম্পূর্ণ দখলমুক্ত নোহোৱালৈকে ক্ষান্ত নহয় আটাছু, স্পষ্ট ঘোষণা বসন্ত গগৈৰ

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৪



শিৱসাগৰ, ৯ নৱেম্বৰ, ২০২৬:

শিৱসাগৰৰ ঐতিহাসিক যমুনা সম্পূর্ণৰূপে বেদখলমুক্ত নোহোৱালৈকে ক্ষান্ত নহয় সদৌ তাই আহোম ছাত্র সন্থা (আটাছু)। সংগঠনটোৰ কেন্দ্রীয় সভাপতি বসন্ত গগৈয়ে এই কথা স্পষ্ট কৰি দিছে।

ঐতিহাসিক যমুনা বেদখলমুক্ত কৰাৰ উদ্দেশ্যে শিৱসাগৰ জিলা প্রশাসনে চলোৱা উচ্ছেদ অভিযানৰ আজি দ্বিতীয়টো দিন। কালিপূজা উপলক্ষে কালি অভিযান বন্ধ ৰখাৰ পিছত আজি পুৱাৰে পৰা পুনৰ উচ্ছেদ অভিযান আৰম্ভ কৰে প্রশাসনে।

যমুনাৰ ওপৰত অবৈধভাৱে নির্মাণ কৰা ঘৰ আৰু ব্যৱসায়িক প্রতিষ্ঠানসমূহত এক্সকেভেটৰ চলাই উচ্ছেদ অভিযান অব্যাহত ৰাখিছে প্রশাসনে। যোৱা শনিবাৰে ধোৱাপট্টীত উচ্ছেদ চলোৱাৰ পিছত আজি শিৱসাগৰ শিৱদৌলৰ সন্মুখৰ পৰা অভিযান আৰম্ভ কৰা হয়।

উল্লেখ্য যে যমুনাৰ মুঠ ভূমিৰ পৰিমাণ ১২০ বিঘা ১ কঠা ৯ লোচা। ইয়াৰে ৪০ বিঘা ভূমি বেদখল হৈ থকা বুলি উল্লেখ কৰা হৈছে।

ইফালে, যমুনাৰ সম্পূর্ণ ভূমি বেদখলমুক্ত নকৰালৈকে আটাছুৰ আন্দোলন অব্যাহত থাকিব বুলি স্পষ্ট কৰি দিছে কেন্দ্রীয় সভাপতি বসন্ত গগৈয়ে। প্রশাসনৰ উচ্ছেদ অভিযানৰ পিছত ঐতিহাসিক যমুনাই কিমান সোনকালে নিজৰ সম্পূর্ণ ভূমি ঘূৰাই পায়, সেয়া হ'ব লক্ষণীয়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1442

অসম

জুবিন গার্গৰ স্মৃতিত কলাগুৰু আর্টিষ্ট ফাউণ্ডেচনলৈ ৫১ হাজাৰ টকা

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৫



গুৱাহাটী: প্রয়াত শিল্পী জুবিন গার্গৰ স্মৃতিত হেঙুল থিয়েটাৰে 'ঈশ্বৰ পুত্র' নাটকৰ এখন প্রদর্শনীৰ সমগ্র আয় কলাগুৰু আর্টিষ্ট ফাউণ্ডেচনলৈ দান কৰিছে। দানৰ পৰিমাণ ৫১ হাজাৰ টকা।

দেওবাৰে গুৱাহাটীৰ গণেশগুৰিস্থিত গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত তিনিদিনীয়া উৎসৱৰ দ্বিতীয় দিনৰ তৃতীয়খন প্রদর্শনীৰ পৰা এই ধন সংগ্রহ কৰা হয়। হেঙুল থিয়েটাৰৰ ২০২৬-২৭ বর্ষৰ পর্যায়ৰ অংশ হিচাপে জুবিন গার্গৰ নামত এই দান আগবঢ়োৱা হয়।

জুবিন গার্গে অভাৱগ্রস্ত লোকক সহায়ৰ বাবে গঢ়ি তোলা কলাগুৰু আর্টিষ্ট ফাউণ্ডেচনৰ হৈ ৰাহুল...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1430

অসম

বিকশিত অসমৰ লক্ষ্যৰে ১৩খন ক্ষেত্রভিত্তিক ৰাজ্যিক পৰিষদ গঠনৰ অনুমোদন

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:২১




বিকেন্দ্রীকৃত আৰু নাগৰিককেন্দ্রিক শাসন ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে অসম চৰকাৰে ১৩খন ৰাজ্যিক পর্যায়ৰ ক্ষেত্রভিত্তিক পৰিষদ গঠন কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1414

অসম

ধীৰেনপাৰাত মহিলাক আক্ৰমণৰ অভিযোগ, অভিযুক্ত পলাতক

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:২৩



গুৱাহাটী, ৮ নৱেম্বৰ: দীপাৱলীৰ নিশা গুৱাহাটীৰ ধীৰেনপাৰাৰ ৰঘুনাথ পথত এগৰাকী মহিলাক নিৰ্মমভাৱে আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। ঘটনাটোত ৰেশমি দত্ত নামৰ মহিলাগৰাকী সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

অভিযোগ অনুসৰি, বিশ্বজিৎ দাস ওৰফে কালুৱে ৰেশমি দত্তক আক্ৰমণ কৰে। আক্ৰমণৰ পিছতে তেওঁ ঘটনাস্থলীতে অচেতন হৈ পৰে। পিছত তেওঁক ওচৰৰ এখন চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু তাত ভর্তি কৰোৱা হয়।

ঘটনাৰ পিছতে অভিযুক্ত বিশ্বজিৎ দাস পলায়ন কৰে বুলি জানিব পৰা গৈছে। এতিয়ালৈকে তেওঁৰ সন্ধান পোৱা হোৱা নাই। আক্ৰমণৰ কাৰণো এতিয়ালৈ স্পষ্ট হোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1426

অসম

চিয়াং প্ৰকল্পৰ অসমত প্ৰভাৱক লৈ কেন্দ্ৰলৈ গৌৰৱ গগৈৰ পত্ৰ

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:০৩



গুৱাহাটী, ৯ নৱেম্বৰ: অৰুণাচল প্ৰদেশত প্ৰস্তাৱিত চিয়াং উচ্চ বহুমুখী প্ৰকল্পৰ নামনি অঞ্চলত হ'ব পৰা প্ৰভাৱক লৈ উদ্বেগ প্ৰকাশ কৰিছে ৰাজ্য কংগ্ৰেছৰ সভাপতি তথা লোকসভাত কংগ্ৰেছ দলৰ উপ-নেতা গৌৰৱ গগৈয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1372

অসম

অক্টোবৰত এনএফআৰৰ মালবাহী ৰেক আনলোড ১২.২৭ শতাংশ বৃদ্ধি

NewzNow জিলা ডেস্ক | ৯ নৱেম্বৰ ২০২৬, পুৱা ১১:১৭



গুৱাহাটী: উত্তৰ-পূব সীমান্ত ৰে'লৱে, চমুকৈ এনএফআৰে, ২০২৬ৰ অক্টোবৰ মাহত ১,১৬২খন মালবাহী ৰেক আনলোড কৰিছে। যোৱা বছৰৰ একে মাহত ১,০৩৫খন ৰেক আনলোড হৈছিল। এইবাৰ আনলোডৰ পৰিমাণ ১২.২৭ শতাংশ বৃদ্ধি পাইছে।

আনলোড কৰা সামগ্ৰীৰ ভিতৰত খাদ্যশস্য, তেল, সাৰ, চেনি, নিমখ, পেট্ৰ'লিয়ামজাত সামগ্ৰী, কয়লা আৰু চিমেণ্ট অন্তর্ভুক্ত আছে। এই সামগ্ৰীসমূহ ঘৰুৱা, কৃষি আৰু ঔদ্যোগিক প্ৰয়োজন পূৰণৰ বাবে ব্যৱহৃত হয়।

উত্তৰ-পূবত সর্বাধিক ৬৪৭খন মালবাহী ৰেক অসমত আনলোড হৈছে। ত্ৰিপু�ৰাত ৮১খন, মণিপুৰত ২৯খন, নাগালেণ্ডত ১৭খন, মিজোৰামত ১১খন, অৰুণাচল প্ৰদেশত ১০খন আৰু মেঘালয়ত এখন ৰেক আনলোড কৰা হৈছে।

এনএফআৰৰ অধিক্ষেত্ৰৰ পশ্চিমবংগত ২০৫খন আৰু বিহাৰত ১৬১খন মালবাহী ৰেক আনলোড কৰা হয়। এই মালবাহী চলাচলে আঞ্চলিক যোগান শৃংখল, বাণিজ্য আৰু ঔদ্যোগিক কার্যকলাপক সহায় কৰিছে বুলি ৰে'লৱেই জনাইছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/1398

অসম

বাংলাদেশ সীমান্তত বেৰ নির্মাণ: ভূমি-সমস্যা সমাধানৰ বাবে কেন্দ্রক মেঘালয়ৰ অনুৰোধ

NewzNow জিলা ডেস্ক | ৮ নৱেম্বৰ ২০২৬, নিশা ১০:৩৬



গুৱাহাটী: ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্রীয় সীমান্তত বেৰ নির্মাণত বাধা সৃষ্টি কৰা ভূমি-সংক্রান্তীয় সমস্যাৰ সমাধানৰ বাবে কেন্দ্রীয় চৰকাৰক অনুৰোধ জনাইছে মেঘালয় চৰকাৰে। বেৰ নির্মাণ সম্পূর্ণ হোৱাৰ পিছত বেৰখনৰ সিপাৰে থকা ব্যক্তিগত ভূমি ব্যৱহাৰৰ অনুপযোগী হৈ পৰিব বুলি আশংকা কৰি ক্ষতিগ্রস্ত ভূমিৰ গৰাকীয়ে ক্ষতিপূৰণ বিচাৰিছে।

গৃহ (আৰক্ষী) বিভাগৰ দায়িত্বত থকা উপ-মুখ্যমন্ত্রী প্রেষ্টন টিনছঙে জনায় যে গাৰো পাহাৰৰ পৰা পূব জয়ন্তীয়া পাহাৰলৈকে সীমান্তৱর্তী অঞ্চলৰ বাসিন্দা আৰু গাঁও কর্তৃপক্ষই বেৰ নির্মাণ প্রকল্পৰ বিৰোধিতা কৰা নাই।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1364

অনুসন্ধান

ৰাজ্যত মুঠ খেতি কৰা ভূমি ৪০.৮৭ লাখ হেক্টৰ; ১০ বছৰত নতুন জলসিঞ্চন মাত্র ৭০,৮৩৫ হেক্টৰত!

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৪১



অসমৰ কৃষি অর্থনীতিৰ ভেটি আজিও গ্রাম্য কৃষক, ক্ষুদ্র খেতিয়ক আৰু কৃষিশ্রমিকৰ ওপৰত নির্ভৰশীল। ৰাজ্যখনত কৃষিৰ সৈতে প্রত্যক্ষ বা পৰোক্ষভাৱে জড়িত জনসংখ্যাৰ পৰিমাণ যথেষ্ট বৃহৎ।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1533

বুজি লওক

১ লিটাৰ সৰিয়হৰ তেলৰ পাউচত ৯১০ গ্রাম কিয় থাকে? কম তেল দিছে নেকি কোম্পানীয়ে?

NewzNow ডেস্ক | ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



নিউজ ডেস্ক: বজাৰৰ পৰা ১ লিটাৰ সৰিয়হৰ তেলৰ পাউচ কিনাৰ পিছত বহু গ্রাহকৰ মনত এটা প্রশ্নৰ উদয় হয় - পেকেটত ১ লিটাৰ তেল বুলি লিখা আছে, কিন্তু ওজন কৰিলে কিয় প্রায় ৯১০ গ্রামহে হয়? কোম্পানীয়ে গ্রাহকক কম তেল দিছে নেকি? প্রকৃততে ইয়াৰ আঁৰত আছে পদার্থ বিজ্ঞানৰ এক সাধাৰণ নিয়ম।

১ লিটাৰ মানেই ১ কিলোগ্রাম নহয়

সাধাৰণতে পানীৰ ক্ষেত্রত ১ লিটাৰ আৰু ১ কিলোগ্রামক প্রায় সমান বুলি গণ্য কৰা হয়। কাৰণ সাধাৰণ উষ্ণতাত ১ লিটাৰ পানীৰ ওজন প্রায় ১ কিলোগ্রাম হয়। কিন্তু সকলো তৰল পদার্থৰ ক্ষেত্রত এই হিচাপ একে নহয়।

ইয়াৰ মূল কাৰণ হৈছে ঘনত্ব (Density)। কোনো পদার্থৰ নির্দিষ্ট আয়তনত কিমান ভৰ থাকে, তাকেই ঘনত্ব বুলি কোৱা হয়।

পানীৰ তুলনাত সৰিয়হৰ তেলৰ ঘনত্ব কম। সেয়েহে একে ১ লিটাৰ আয়তনৰ সৰিয়হৰ তেলৰ ওজন প্রায় ৯১০ গ্রাম হ'ব পাৰে। অর্থাৎ, তেলৰ পৰিমাণ ১ লিটাৰ হ'লেও ইয়াৰ ওজন ১ কিলোগ্রাম হোৱাটো বাধ্যতামূলক নহয়।

সৰিয়হৰ তেলৰ ওজন ৯১০ গ্রাম কিয়?

সাধাৰণ উষ্ণতাত সৰিয়হৰ তেলৰ Specific Gravity প্রায় ০.৯০৭ৰ পৰা ০.৯১০ৰ ভিতৰত থাকে বুলি উল্লেখ কৰা হৈছে। সেই হিচাপ অনুসৰি ১ লিটাৰ সৰিয়হৰ তেলৰ ওজন প্রায় ৯০৭ৰ পৰা ৯১০ গ্রাম হ'ব পাৰে।

আনহাতে, তেলৰ উষ্ণতা আৰু গুণাগুণৰ ওপৰত নির্ভৰ কৰি ইয়াৰ ঘনত্বৰ কিছু তাৰতম্য ঘটিব পাৰে। সেইবাবেই সকলো তেলৰ ওজন একে নহয়।

গ্রাহকৰ বাবে চৰকাৰৰ নির্দেশনা

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/1498